**REGIONAL NEWS UNIT**
AKASHVANI GUWAHATI
0000000000

**Date : 27-11-2025**
**Time : 21-25 Hrs**

**ASSAMESE NIGHT BULLETIN**

**::::::::::::::::::**

বৈবাহিক সম্পৰ্কৰ বিশ্বাসযোগ্যতা বৰ্তাই ৰখাৰ লগতে মহিলাৰ সুৰক্ষা সুনিশ্চিত কৰাৰ ঐতিহাসিক পদক্ষেপ হিচাপে বিধানসভাই আজি বহুবিবাহ প্ৰতিৰোধ বিধেয়ক গৃহীত কৰে। শীতকালীন অধিবেশনৰ প্ৰথম দিনা উত্থাপন কৰা এই বিধেয়কৰ জৰিয়তে আইনীভাৱে প্ৰথম বিবাহ বিচ্ছেদ নকৰাকৈ দ্বিতীয় বিবাহ কৰা কাৰ্যক অপৰাধৰ শ্ৰেণীভুক্ত কৰিব খোজা হৈছে। বিধেয়কখনত পূৰ্বৰ বিবাহৰ কথা গোপনে ৰাখি দ্বিতীয় বিবাহ কৰা ব্যক্তিক ১০ বছৰ আৰু প্ৰথম বিবাহ বিচ্ছেদ নকৰাকৈ দ্বিতীয় বিবাহ কৰা ব্যক্তিক ৭ বছৰ কাৰাদণ্ড বিহাৰ ব্যৱস্থা কৰা হৈছে। বিধেয়কখনৰ অধীনত বাৰে বাৰে এনে অপৰাধ কৰাসকলক দুগুণ শাস্তি বিহাৰ ব্যৱস্থা আছে। বহুবিবাহত লিপ্ত হোৱা পুৰোহিত, মৌলানা, যাজক আদিক ডেৰ লাখ টকা পৰ্যন্ত জৰিমনা বিহা হ’ব আৰু কৰ্তৃপক্ষৰ পৰা ইচ্ছাকৃতভাৱে তথ্য লুকোৱা বা পলমকৈ তথ্য প্ৰদান কৰা লোকসকলক দুবছৰ কাৰাদণ্ড আৰু এক লাখ টকাৰ জৰিমনা বিহা হ’ব। অৱশ্যে বিধেয়কখন ৰাজ্যৰ ষষ্ঠ অনুসূচীৰ অধীনৰ এলেকা আৰু জনজাতীয় লোকসকলৰ মাজত প্ৰযোজ্য নহ’ব। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজিৰ দিনটো ঐতিহাসিক বুলি উল্লেখ কৰি কয়, যে এই বিধেয়কখন আইনত পৰিণত হ’লে অসম চৰকাৰে ধৰ্ম নিৰ্বিশেষে ৰাজ্যৰ সকলো শ্ৰেণীৰ মহিলাৰ প্ৰতি সম দৃষ্টিভংগী সম্পন্ন আৰু ন্যায় বিচাৰৰ বাবে আগ্ৰহী হোৱাটোকে প্ৰতিপন্ন কৰিব বুলি মন্তব্য কৰে।

০০০০০০

আৰক্ষীৰ অপৰাধ অনুসন্ধান বিভাগে আজি কৃত্ৰিম বুদ্ধিমত্তা, এ আইৰ জৰিয়তে ভিডিঅ’ প্ৰস্তুত কৰি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাক জনমানসত হেয় প্ৰতিপন্ন কৰা গোচৰত গ্ৰেপ্তাৰ কৰা তিনিজন কংগ্ৰেছ কৰ্মীক আজি বিয়লি মহকুমা ন্যায়িক দণ্ডাধীশৰ আদালতত হাজিৰ কৰোৱায়। ইয়াৰ পাছত তিনিওজন অভিযুক্তক তিনি দিনৰ জিম্মাত বিচাৰি তদন্তকাৰী বিষয়াই আদালতত আবেদন দাখিল কৰে। কিন্তু গোচৰৰ শুনানিৰ অন্তত আদালতে অভিযুক্তক আৰক্ষীৰ জিম্মাত বিচৰা আবেদন খাৰিজ কৰাৰ লগতে তিনিওজন অভিযুক্তৰ জামিন মঞ্জুৰ কৰে।

আমাৰ আগৰ বাতৰিতে কোৱা হৈছে যে গ্ৰেপ্তাৰ কৰা কংগ্ৰেছ কৰ্মীকেইজনক মাজুলীৰ জিলা কংগ্ৰেছৰ সামাজিক মাধ্যম আৰু তথ্যপ্ৰযুক্তি শাখাৰ অধ্যক্ষ জিবেশ্বৰ গাম, অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ মুখপাত্ৰ উপেন ৰাজ নাথ আৰু নগাঁও জিলাৰ জুৰিয়াৰ ছাহিদুল ইছলাম বুলি চিনাক্ত কৰা হৈছে। দুষ্টচক্ৰই এ আইৰ জৰিয়তে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাক সাঙুৰি অমিতাভ বচ্চনে পৰিচলানা কৰা কৌন বনেগা কড়ৌৰপতি নামৰ অনুষ্ঠানৰ ভুৱা ভিডিঅ’ প্ৰস্তুত কৰি অপপ্ৰচাৰ চলোৱাৰ অভিযোগত অপৰাধ অনুসন্ধান বিভাগৰ চাইবাৰ থানাত ৰুজু কৰা গোচৰত এই লোককেইজনক গ্ৰেপ্তাৰ কৰা হয়।

০০০০০০

অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ সভাপতি তথা সাংসদ গৌৰৱ গগৈয়ে আজি নিৰ্বাচন আয়োগক প্ৰযুক্তিৰ সহায়ত ভোটদাতা নিৰ্ণয় কৰিব পৰা ভোটাৰ তালিকাৰ ব্যৱস্থা কৰাৰ বাবে আহ্বান জনায়। অসম, কেৰালা, তামিলনাডু, পশ্চিমবংগ আৰু পুডুচেৰীত হ'বলগীয়া বিধানসভা নিৰ্বাচনক কেন্দ্ৰ কৰি শ্ৰী গগৈয়ে এই ব্যৱস্থা প্ৰৱৰ্তনৰ বাবে নিৰ্বাচন আয়োগৰ প্ৰতি আহ্বানা জনায়। যোৰহাটৰ কংগ্ৰেছ ভৱনত অনুষ্ঠিত এখন সংবাদমেলত প্ৰদেশ কংগ্ৰেছৰ সভাপতিগৰাকীয়ে কয়, যে ভাৰত বৰ্তমান তথ্য, প্ৰযুক্তিৰ ক্ষেত্ৰত বিশ্বৰ ভিতৰতে অগ্ৰণী দেশ। সেইবাবে ভোটাৰ তালিকা বুথ পৰ্যায়ৰ কৰ্মীয়ে ৩০ দিনতকৈও কম সময়ৰ ভিতৰতে প্ৰস্তুত কৰাৰ পৰিৱৰ্তে ইয়াক উন্নত প্ৰযুক্তিৰে প্ৰস্তুত কৰাৰ প্ৰয়োজন আছে বুলি সাংসদগৰাকীয়ে প্ৰকাশ কৰে।

০০০০০০

অসম প্ৰকাশন পৰিষদ আৰু সদৌ অসম পুথি প্ৰকাশক তথা বিক্ৰেতা সংস্থাৰ উদ্যোগত কাইলৈৰ পৰা ১০ দিনীয়াকৈ তিনিচুকীয়াত অসম গ্ৰন্থমেলা অনুষ্ঠিত হ'ব। জিলাখনৰ চলিহা নগৰ খেলপথাৰত হ'বলগীয়া এই গ্ৰন্থমেলাত কাইলৈ বিয়লি চাৰে তিনি বজাত উদ্বোধন কৰা হ'ব বুলি অসম প্ৰকাশন পৰিষদৰ সচিব প্ৰমোদ কলিতাই প্ৰকাশ কৰে। কাইলৈৰ উদ্বোধনী সভাত অসম সাহিত্য সভাৰ সভাপতি তথা বিশিষ্ট সাহিত্যিক ড০ বসন্ত কুমাৰ গোস্বামী সন্মানীয় অতিথি ৰূপে উপস্থিত থাকিব। সাহিত্যিক-সাংবাদিক দিলীপ চন্দন আৰু তিনিচুকীয়া জিলা আয়ুক্ত স্বপ্নীল পাল এই সভাত বিশিষ্ট অতিথি ৰূপে উপস্থিত থাকিব। দিনৰ আঢ়ৈ বজাৰ পৰা গ্ৰন্থমেলাৰ  আটাইকেইটা দিনতে ভাষা, সাহিত্য, সংস্কৃতি, ইতিহাস আদি বিষয় সামৰি আলোচনা চক্ৰ অনুষ্ঠিত হ'ব। প্ৰতি সন্ধিয়া পাঁচ বজাৰ পৰা গ্ৰন্থমেলাৰ বাকৰিত বিভিন্ন শিক্ষানুষ্ঠানৰ শিক্ষাৰ্থীৰ মাজত বাৰেৰহনীয়া সাংস্কৃতিক প্ৰতিযোগিতাৰ আয়োজন কৰা হ'ব। বিপনীসমূহত পাঠকৰ মনৰ চাহিদা পূৰণ কৰিব পৰা গ্ৰন্থসম্ভাৰ পোৱা যাব বুলি উদ্যোক্তাসকলে প্ৰকাশ কৰিছে।

০০০০০০

গোৱাৰ পানাজীত অনুষ্ঠিত ৫৬ সংখ্যক ভাৰত আন্তঃৰাষ্ট্ৰীয় চলচ্চিত্ৰ মহোৎসৱ- IFFI-ৰ কাইলৈ সামৰণি পৰিব। মহোৎসৱৰ কলা একাডেমী প্ৰেক্ষাগৃহত আজি দুখন গুৰুত্বপূৰ্ণ আলোচনা চক্ৰ অনুষ্ঠিত হয়। ইয়াৰে এখনত সৰ্বকালৰ জনপ্ৰিয় হিন্দী চলচ্চিত্ৰ 'শ্বোলেৰ নিৰ্মাণৰ ৫০বছৰ সম্পূৰ্ণ হোৱা বিষয়ক লৈ ছবিখনৰ পৰিচালক ৰমেশ চিপ্পিয়ে অংশগ্ৰহণ কৰে। সদ্যপ্ৰয়াত যশস্বী অভিনেতা তথা শ্বোলে চলচ্চিত্ৰৰ বীৰু চৰিত্ৰত অভিনয় কৰা ধৰ্মেন্দ্ৰৰ প্ৰতি অনুষ্ঠানত শ্ৰদ্ধাঞ্জলি জ্ঞাপন  কৰা হয়। উত্তৰ পূৰ্বাঞ্চলৰ চলচ্চিত্ৰ সন্দৰ্ভত আজি আন এখন গুৰুত্বপূৰ্ণ আলোচনাচক্ৰত অঞ্চলটোৰ কেইবাগৰাকীও চলচ্চিত্ৰ নিৰ্মাতাই অংশ লয়। চলচ্চিত্ৰ নিৰ্মাণৰ খ্যাতিসম্পন্ন সংস্থাৰ পৰা প্ৰশিক্ষণপ্ৰাপ্ত উত্তৰ পূৰ্বাঞ্চলৰ নতুন প্ৰজন্মৰ চলচ্চিত্ৰ নিৰ্মাতাসকলে কিদৰে ছবি নিৰ্মাণৰ ক্ষেত্ৰত সম্পৰীক্ষা কৰিছে এই বিষয়ে আলোচনা কৰা হয়।

এইবাৰৰ মহোৎসৱত ৮৪ খন দেশৰ ২৭০ খনৰো অধিক চলচ্চিত্ৰ প্ৰদৰ্শনৰ ব্যৱস্থা কৰা হয়। মহোৎসৱৰ কেন্দ্ৰীয় ৰাষ্ট্ৰ জাপানৰ ৭ খন ছবি আৰু সহযোগী ৰাষ্ট্ৰ স্পেইনৰ ৪খন ছবি এইবাৰ প্ৰদৰ্শন কৰা হৈছে। যোৱা ২০ নৱেম্বৰত এই মহোৎসৱৰ শুভাৰম্ভ কৰা হৈছিল।

০০০০০০

সমাপ্ত